অসম বিধান সভা
তৰাচিহ্নিত প্ৰশ্ন নং : ১৫২
উত্তৰ দানৰ তাৰিখ : ১৫ /০ ৭ / ২০২৬

*বিষয়ঃ* **বাওখুংগৰী LAC ত কৃষি উৎপাদনশীলতা আৰু কৃষক সমৰ্থন ব্যৱস্থা শক্তিশালীকৰণ।**

বিধায়কৰ নাম : শ্ৰী ৰূপম চন্দ্ৰ ৰয়ঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বাওখুংগৰী LAC-ত কৃষকৰ আয় বৃদ্ধি আৰু কৃষি উৎপাদনশীলতা অধিক উন্নত কৰাৰ লক্ষ্যৰে আধুনিক কৃষি পদ্ধতি, Farm Mechanisation, cold storage, quality seed distribution, farmer training আৰু কৃষক সমৰ্থন ব্যৱস্থা অধিক শক্তিশালী কৰাৰ বাবে চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে?

(খ) Farmer Producer Organisation (FPO) আৰু value addition উদ্যোগসমূহ সম্প্ৰসাৰণ কৰাৰ কোনো পৰিকল্পনা আছে নেকি?

(গ) বাওখুংগৰী LAC-ক অগ্ৰাধিকাৰ ভিত্তিত অন্তৰ্ভুক্ত কৰাৰ কোনো বিশেষ ব্যৱস্থা আছে নেকি?

**উত্তৰ**

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা দেৱে উত্তৰ দিব।

(ক) ১। বাওখুংগৰী সমষ্টিত কৃষকৰ আয় বৃদ্ধি আৰু কৃষি উৎপাদনশীলতা অধিক উন্নত কৰাৰ লক্ষ্যৰে কৃষক সকলক সজাগ কৰাৰ লগতে তলত উল্লেখিত পদক্ষেপসমূহ গ্ৰহণ কৰিব পৰা ব্যৱস্থা আছে -
● Double Cropping ● অধিক উৎপাদনক্ষম জাতৰ ব্যৱস্থা ● উচ্চ মূল্যৰ শস্যৰ খেতি যেনে-জহা ধান, কলা ধান, ড্ৰেগন ফুইট, ষ্ট্ৰবেৰী আদি ● জৈবিকভাবে উৎপাদিত শস্য আৰু ● সমন্বিত কৃষি পদ্ধতি।

২। কৃষি বিভাগৰ কৃষি অভিযান্ত্ৰিক শাখাৰ জৰিয়তে ৰূপায়িত আঁচনিৰ অধীনত Power Tiller, Tractor, Thresher, Sprayer Machine, Solar Pump, STW Combined Harvester আদি ৰেহাই মূল্যত যোগান ধৰাৰ ব্যৱস্থা আছে। ইয়াৰোপৰি PMKSY আঁচনিৰ জৰিয়তে নিৰ্দিষ্ট কিছুমান উদ্যান শস্য আৰু পথাৰ শস্যত Micro Irrigation যেনে Drip আৰু Sprinkle Irrigation ৰ ব্যৱস্থা আছে।

৩। Cold Storage: HMNEH আঁচনিৰ অধীনত ৫০% ৰেহাই মূল্যত Cold Storage স্থাপন কৰাৰ ব্যৱস্থা আছে।

৪। Quality Seed Distribution : গুনগত বীজ বিতৰণৰ ববে কৃষি বিভাগে খাৰিফ আৰু ৰবি বতৰত বিভিন্ন আঁচনি যেনে PKVY, NFSNM, SOPD, HMNEH আদিৰ যোগেদি বিনামূল্যে বীজ আৰু ৰোপন সামগ্ৰী বিতৰণ কৰাৰ ব্যৱস্থা আছে। এই আঁচনিসমূহৰ জৰিয়তে ধান, মাকৈ, সৰিয়হ, মাটিমাহ, মচুৰ দালি, মটৰমাহ, মৰাপাট, আলু আদিৰ বীজৰ লগতে বিভিন্ন ফলমূলৰ পুলি বিতৰণ কৰাৰ ব্যৱস্থা আছে।

৫। Farmers Training: আধুনিক কৃষি পদ্ধতি সম্পৰ্কে কৃষকৰ মাজত সজাগতা বৃদ্ধি আৰু কৃষি প্ৰযুক্তি কৃষকৰ পথাৰলৈ লৈ যোৱাৰ উদ্দেশ্যে বিভিন্ন আঁচনিৰ অধীনত কৃষি বিভাগে জিলা, ব্লক, গাঁও আদি বিভিন্ন পৰ্য্যায়ত কৃষক প্ৰশিক্ষণ অনুষ্ঠিত কৰে। বিশেষকৈ ATMA আঁচনিৰ যোগেদি জিলা পৰ্য্যায়ত আৰু আন্তঃজিলা পৰ্য্যায়ত প্ৰশিক্ষণ আৰু Exposure Visit আদিৰ জৰিয়তে কৃষিৰ লগতে allied interventions অৰ্থাৎ মীন পালন, পশু পালন আদি বিষয় সামৰি বহলৰূপত প্ৰশিক্ষণৰ ব্যৱস্থা আছে।

৬। কৃষকক অধিক শক্তিশালী কৰাৰ বাবে অসম তথা ভাৰত চৰকাৰে বিভিন্ন আঁচনি ৰূপায়ন কৰি আছে-

- ধান ক্রয় আঁচনি (Paddy Procurement): এই আঁচনিৰ জৰিয়তে নুন্যতম সমৰ্থন মূল্যত কৃষকৰ ধান ক্রয় কৰা হয়।
- প্রধানমন্ত্রী ফচল বীমা যোজনা (PMFBY): এই আঁচনিৰ জৰিয়তে প্রাকৃতিক দুৰ্য্যোগৰ পৰা কৃষকৰ শস্য সুৰক্ষিত কৰাৰ ব্যবস্থা আছে।
- প্রধানমন্ত্রী কৃষক সন্মান নিধি (PM- KISAN): এই আঁচনিৰ জৰিয়তে কৃষকক বীজ, সাৰ, কৃষি সয়ুঁলি আদি ক্রয় কৰাৰ বাবে বছৰত তিনিটা কিস্তিত ৬০০০/- টকা দিয়াৰ ব্যৱস্থা আছে।

(খ) FPO আৰু Value addition উদ্যোগসমূহ সম্প্রসাৰণৰ বাবে চৰকাৰে বিভিন্ন পৰিকল্পনা কৰিছে। Farmer Producer Organisation সমুহক ২০২৬ বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ পৰা মূখ্যমন্ত্রীৰ উৎকৰ্ষ যোজনা আঁচনিৰ জৰিয়তে ১২ লাখ টকালৈকে সাহাৰ্য্য দিয়া হৈছে। এই FPO বোৰক আৰু তিনি লাখকৈ অৰ্থসাহাৰ্য্য আগবঢ়োৱা হব। ইতিমধ্যে এই আঁচনিখনৰ বাবে ৭৫ কোটি টকা ধাৰ্য্য কৰা হৈছে আৰু আন ২৪৬ খন FPO ক অনতি পলমে দিয়া হব। FPO সমুহে এই সাহাৰ্য্য তেওঁলোকে দাখিল কৰা Business Plan ত Spice Processing, Rice Processing, Millet Processing, Mustard Oil Mill আদিৰ বাবে দিয়া হৈছে। উত্তৰ পূব আৰু হিমালয়ৰ পাদদেশ ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযান (HMNEH) আঁচনিৰ অধীনত value addition , উদ্যোগ সম্প্রসাৰণৰ ব্যৱস্থা আছে। ইয়াৰ বাবে ইচ্ছুক কৃষকে ৫০% ৰাজসাহাৰ্য্যত খাদ্য সংসাধন কেন্দ্ৰ, প্ৰাৰ্থমিক সংসাধন কেন্দ্ৰ লাভ কৰিব পাৰে।

(গ) কৃষি বিভাগৰ আঁচনিসমূহ সমষ্টিভিত্তিক অগ্ৰাধিকাৰ দি ৰূপায়ণ কৰা নহয়। জলবায়ু, কৃষিভূমি, কৃষকৰ প্রয়োজনীয়তা আদিৰ ওপৰত নিৰ্ভৰ কৰিহে আঁচনিসমূহক জিলাভিত্তিক অগ্ৰাধিকাৰ দিয়া হয়।

*************